**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 8-12-2024 **Time :** 07-55 Hrs.

# Assamese Morning Bulletin

ৰাজ্য চৰকাৰে ইথানল উৎপাদনৰ সৈতে জড়িত তিনিটা উদ্যোগক ৰাজসাহায্য প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটীৰ কইনাধৰাত যোৱা নিশা অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয়, যে মন্ত্ৰীসভাই প্ৰতি লিটাৰ ইথালনত উৎপাদন সংযোজিত উদগনি হিচাপে ২ টকা দিয়াৰ প্ৰস্তাৱত অনুমোদন জনাইছে। অনাগত তিনি বছৰলৈ এই সাহায্য প্ৰদান কৰা হ'ব বুলি শ্ৰী মল্লবৰুৱাই জানিবলৈ দিয়ে। তেওঁ কয়, যে মন্ত্ৰীসভাই কাৰাগাৰত বন্দী হৈ থকা কয়দীৰ মৃত্যু হ'লে নিকতাত্মীয়ক ক্ষতিপূৰণ হিচাপে বিত্তীয় সাহায্য প্ৰদানৰ প্ৰস্তাৱত অনুমোদন দিছে। এই অনুসৰি কয়দীৰ মাজত কাজিয়া লাগি মৃত্যু হ'লে ২ লাখ, কাৰাগাৰৰ কৰ্মচাৰীৰ সৈতে কাজিয়া লাগি বা কৰ্মচাৰীৰ অত্যাচাৰত মৃত্যু হ'লে ৩ লাখ, কৰ্মচাৰীৰ অৱহেলাৰ বাবে মৃত্যু হ'লে ৪ লাখ, চিকিৎসা বিষয়াৰ অৱহেলাত মৃত্যু হ'লে ৪ লাখ আৰু কাৰাগাৰত আত্মহত্যা কৰিলে ৩ লাখ টকা ক্ষতিপূৰণ হিচাপে নিকতাত্মীয়ক প্ৰদান কৰা হ'ব। কালিৰ মন্ত্ৰীসভাৰ বৈঠকত নতুনকৈ শপত লোৱা চাৰি গৰাকী মন্ত্ৰীয়েও অংশগ্ৰহণ কৰে।

০০০০০০

পলিঅ' ৰোগ নিৰ্মূলৰ উদ্দেশ্যেৰে আজি অসমৰ ২৭ খন নিৰ্বাচিত জিলাত উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **গোলাঘাট** জিলাত এই উদ্দেশ্যেৰে আজি শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ মাতৃ আৰু শিশু চিকিৎসা বিভাগত পুৱাৰে পৰা প্ৰতিষেধক প্ৰদান কৰা হ'ব। ইয়াৰ লগতে জিলাখনৰ মুঠ ৮৮৯টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰত ডেৰ লাখতকৈও অধিক শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। একেদৰে **চৰাইদেউ** জিলাত ৬০ হাজাৰৰ অধিক শিশুক ৮ৰ পৰা ১০ ডিচেম্বৰৰ ভিতৰত পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। এই অভিযান সফল কৰিবলৈ প্ৰতিটো বিভাগক সহযোগিতা আগবঢ়াবলৈ চৰাইদেউ স্বাস্থ্য বিভাগে আহ্বান জনাইছে।

০০০০০০

মাজুলীৰ নিয়োগ বিনিময় কেন্দ্ৰৰ সৌজন্যত কালি পূব মাজুলীৰ বনগাঁৱত থকা মাজুলী উদ্যোগ প্ৰশিক্ষণ প্ৰতিষ্ঠানত কেৰিয়াৰ পৰামৰ্শ প্ৰদান শীৰ্ষক এটা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। দক্ষতা আৰু কৌশল বিকাশৰ ভিত্তিত যুৱক-যুৱতীসকলে ভৱিষ্যতে পেচাদাৰী ক্ষেত্ৰত আগবাঢ়ি যাব পৰাকৈ অনুষ্ঠানটোত অংশগ্ৰহণকাৰীসকলক দিহা-পৰামৰ্শ প্ৰদান কৰা হয়। ইয়াৰ লগতে দক্ষতা বিকাশৰ বাবে নৱপ্ৰজন্মই লাভ কৰিব পৰা প্ৰশিক্ষণ কাৰ্যসূচীসমূহৰ বিষয়েও আজিৰ অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা হয়।

০০০০০০০

খোজ অসমৰ উদ্যোগত ১৩ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ ডিব্ৰুগড়ৰ নিৰ্মালী গাঁও ৰাজহুৱা খেলপথাৰত বিশাল বৌদ্ধিক কাৰ্যসূচীৰে ষষ্ঠ ডিব্ৰুগড় গ্ৰন্থ মহোৎসৱ ২০২৪ অনুষ্ঠিত হ'ব। এই মহোৎসৱৰ সময়ছোৱাত প্ৰতিদিনে সাহিত্যৰ ভিন ভিন অনুষ্ঠানৰ লগতে বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়া এই গ্ৰন্থ মেলাৰ উদ্বোধনী অনুষ্ঠানত সন্মানীয় অতিথি আৰু অসম সাহিত্য সভাৰ সভাপতি পদ্মশ্ৰী ড০ সূৰ্যকান্ত হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

২০২৫ বৰ্ষৰ চৰকাৰী বন্ধৰ তালিকা প্ৰকাশ কৰা হৈছে। সেই অনুসৰি বছৰটোত মুঠ ৩৬ দিন বন্ধ থকাৰ লগতে চৰকাৰী কৰ্মচাৰীয়ে এদিন অৰ্ধছুটী লাভ কৰিব। ১৪ আৰু ১৫ জানুৱাৰীত মাঘ বিহু আৰু টুছু পূজাৰ বন্ধৰে বছৰটোৰ চৰকাৰী বন্ধ আৰম্ভ হৈ ২৫ ডিচেম্বৰৰ বৰদিনৰ বন্ধৰে সামৰণি পৰিব। আনহাতে ৬ অক্টোবৰত লক্ষ্মীপূজা উপলক্ষে চৰকাৰী কাৰ্যালয়সমূহত অৰ্ধছুটী ঘোষণা কৰা হৈছে। তদুপৰি প্ৰতিমাহৰ দ্বিতীয় আৰু চতুৰ্থ শনিবাৰে কৰ্মচাৰীয়ে বন্ধ লাভ কৰিব। আলি-আয়ে-লৃগাং উপলক্ষে ১৯ ফেব্ৰুৱাৰীত ধেমাজি, উত্তৰ-লখিমপুৰ, শোণিতপুৰ, তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, মাজুলী, চৰাইদেউ আৰু বিশ্বনাথ জিলাত বন্ধ ঘোষণা কৰা হৈছে। ইফালে ২০ আৰু ২১ নৱেম্বৰত পিতৃ-মাতৃৰ বন্দনাৰ বাবে বিশেষ ছুটী ধাৰ্য কৰা হৈছে।

০০০০০০

এডিলেইডত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয় টেষ্ট মেচৰ আজি তৃতীয় দিনা ভাৰতে ৫ উইকেটৰ বিনিময়ত ১২৮ ৰানৰ পৰা দ্বিতীয় ইনিংছত খেল আৰম্ভ কৰিব। খেলখন আজি ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ভাৰতীয় দলটো অষ্ট্ৰেলিয়াতকৈ সামগ্ৰিকভাৱে ২৯ ৰানত পিছ পৰি আছে। কালি দিনান্তত ঋষভ পণ্টে ২৮ আৰু নীতিশ ৰেড্ডীয়ে ১৫ ৰান কৰি খেলি আছিল। অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ট্ৰেভিছ হেডৰ শতকৰ সহায়ত ৩৩৭ ৰান সংগ্ৰহ কৰি ১৫৭ ৰানৰ অগ্ৰগতি লাভ কৰে। ট্ৰেভিছ হেডে ১৪১টা বলত ১৪০ ৰান কৰে। ভাৰতৰ হৈ মহম্মদ ছিৰাজ আৰু যশপ্ৰীত বুমৰাহে ৪টাকৈ উইকেট দখল কৰে। আনহাতে ভাৰতে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ১৮০ ৰান সংগ্ৰহ কৰে। উল্লেখযোগ্য যে ৫ খনীয়া ক্ৰিকেট শৃংখলাটোত ভাৰত ১-০ ফলাফলত আগবাঢ়ি আছে।

০০০০০০

ভাৰত আজি ওমানৰ মাস্কতত হ'বলগীয়া মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত জ্যোতি সিঙে ভাৰতীয় জুনিয়ৰ মহিলা হকী দলৰ নেতৃত্ব বহন কৰিব। সাক্ষী ৰানা ভাৰতীয় দলৰ উপ-অধিনায়ক হ'ব। প্ৰতিযোগিতাত কালি চীনে গ্ৰুপ এৰ প্ৰথমখন খেলত বাংলাদেশত ১৯-০ গলত পৰাস্ত কৰে। গ্ৰুপ এৰ আন এখন খেলত মালয়েছিয়াই থাইলেণ্ডক ৩-০ গলত আৰু পুল বিৰ এখন খেলত জাপানে শ্ৰীলংকাক ১৫-০ গলত পৰাভূত কৰে। ১০টা দলে এই প্ৰতিযোগিতাত ভাগ লৈছে। যোৱা বাৰৰ চেম্পিয়ন ভাৰতক চীন, মালয়েছিয়া, থাইলেণ্ড আৰু বাংলাদেশৰ সৈতে গ্ৰুপ এত স্থান দিয়া হৈছে। দক্ষিণ কোৰিয়া, জাপান, চীনা টাইপে, হংকং আৰু শ্ৰীলংকাক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। জুনিয়ৰ এচিয়া কাপ হকী প্ৰতিযোগিতা অহা বছৰ ছিলিত হ'বলগীয়া এফ আই এইছ

জুনিয়ৰ বিশ্বকাপৰ যোগ্যতা নিৰূপণকাৰী প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ শীৰ্ষৰ ৫টা দলে জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ খেলাৰ সুযোগ লাভ কৰিব।

০০০০০০

**সমাপ্ত**